**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

যোৰহাটত আজি শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশন আৰম্ভ হৈছে। জিলাখনৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনথলী অসমৰ বিভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱৰ হৰিনামৰ ধ্বনিৰে মুখৰ হৈ উঠিছে। আজি পুৱা পৰিৱেশ নিকাকৰণ আৰু গছপুলি ৰোপন কাৰ্যসূচীৰে অধিৱেশনৰ শুভাৰম্ভ কৰা হৈছে। পৰহিলৈ হ'বলগীয়া মুকলি সভাত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা। এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলেও অংশ লৈছে। আজি নামঘৰৰ তোৰণ উন্মোচন, মূল সমিতিৰ কাৰ্যনিৰ্বাহক, প্ৰতিনিধি শিবিৰৰ তোৰণ উন্মোচন আৰু গ্ৰন্থমেলা মুকলি কৰা হ'ব। দিনৰ ভাগত মূল কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। পৰহিলৈ পুৱা সংঘৰ নৱনিৰ্বাচিত পদাধিকাৰ ভৱেন্দ্ৰ নাথ ডেকাই পতাকা উত্তোলন কৰিব। এই পতাকা উত্তোলনস্থলীত কাছ আকৃতিৰ বেদী নিৰ্মাণ কৰা হৈছে। বেদীটোৰ চৌপাশত প্ৰতীকিভাৱে ৫৪ খন পতাকা উত্তোলন কৰা হ'ব। তদুপৰি ৯৪ সংখ্যক অধিৱেশনৰ সৈতে সংগতি ৰাখি ৯৪টা খোল আৰু ৯৪ যোৰ তাল লৈ গায়ন-বায়নসকলে মাংগলিক ধ্বনি কৰিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি ভাগৱত শোভাযাত্ৰা আৰু ধৰ্মালোচনা সভাৰ লগতে সত্ৰীয়া সংস্কৃতিৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

oooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে শোণিতপুৰ জিলাৰ সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যত থকা অবৈধ দখল আঁতৰোৱাৰ বাবে প্ৰস্তুত কৰা ৰূপৰেখাসহ ৰাজ্য চৰকাৰৰ প্ৰধান মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেনক শপতনামা দাখিলৰ নিৰ্দেশ দিছে। আদালতৰ নিৰ্দেশনা অনুসৰি অহা ৬ মাৰ্চত এই শপতনামা দাখিল কৰিব লাগিব। উল্লেখযোগ্য যে সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ বেদখলকে ধৰি কেতবোৰ গুৰুত্বপূৰ্ণ বিষয়ক লৈ এটা স্বেচ্ছাসেৱী সংগঠনে উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আবেদন দাখিল কৰিছিল। বণ্যপ্ৰাণী অভয়াৰণ্যখনৰ ভিতৰত থকা গাঁওসমূহৰ এক বিস্তৃতি জৰীপ চলোৱা হৈছে বুলি শুনানিকালক বন বিভাগে ন্যায়ালয়ক অৱগত কৰে। বন বিভাগৰ এই তথ্যৰ পাছতে উচ্চ ন্যায়ালয়ে প্ৰধান মুখ্য বন সংৰক্ষক আৰু মুখ্য বন্যপ্ৰাণী ৱাৰ্ডেনক বেদখল আঁতৰোৱাৰ ৰূপৰেখাসহ শপতনামা দাখিলৰ নিৰ্দেশ দিয়ে।

oooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কালিৰেপৰা চাৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱ অনুষ্ঠিত হৈছে। কালি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ডং জিতেন হাজৰিকাই মহোৎসৱ উদ্বোধন কৰে। বিশ্ববিদ্যালয়খনৰ ৰংঘৰ প্ৰেক্ষাগৃহত এই উপলক্ষে আয়োজিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডং হাজৰিকাই সমবেত লেখক-সাহিত্যিকসকলৰ প্ৰতিভা অভিজ্ঞতা আৰু উপলব্ধিয়ে ছাত্ৰ সমাজক উপকৃত কৰিব বুলি মন্তব্য কৰে। অনুষ্ঠানত অংশ লৈ বিশিষ্ট সাহিত্যিক ডং নগেন শইকীয়াই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত আয়োজিত এই সাহিত্য মহোৎসৱে ছাত্ৰসকলৰ লগতে উদীয়মান লেখকসকলৰ সৃষ্টিশীল প্ৰতিভা বিকাশত ইন্ধন যোগাব বুলি আশা প্ৰকাশ কৰে। আফ্ৰিকাৰ সাহিত্যিক টেটে মিচেল কেপামাচিয়ে অনুষ্ঠানটোত সন্মানীয় অতিথি হিচাপে অংশ

লৈ তেওঁৰ অভিজ্ঞতা আৰু উপলব্ধি ছাত্ৰ সমাজৰ আগত দাঙি ধৰে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত এই মহোৎসৱৰ আয়োজন কৰা হৈছে। আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লৈ আয়োজিত মহোৎসৱত ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ কমেও ১২০ গৰাকী লেখক-সাহিত্যিকে অংশ লৈছে। মহোৎসৱৰ আটাইকেইটা দিনত কমেও ৫০ খন আলোচনা সত্ৰ আৰু কৰ্মশালা অনুষ্ঠিত হ'ব।

০০০০০০

ৰাজ্য চৰকাৰ দ্বাৰা আয়োজিত হ'বলগীয়া এডভান্টেজ আছাম দ্বিতীয় সংস্কৰণ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে জিলা প্ৰশাসনৰ সহযোগত নগাঁও জিলা পুথিভঁৰালত আজি এখন কৰ্মশালাৰ আয়োজন কৰা হৈছে। নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৃষ্ণেন্দু পাল মুখ্য অতিথি হিচাপে এই কৰ্মশালাত উপস্থিত থাকিব। কৰ্মশালাখনত উদ্যোগী, ব্যৱসায়ী, আগ্ৰহী বিনিয়োগকাৰী, ব্যৱসায়িক প্ৰতিষ্ঠান আত্মসহায়ক গোট আদি সংগঠনৰ সদস্যসকলে অংশ ল'ব।

০০০০০০

গোলাঘাটৰ জ্যেষ্ঠ সাংবাদিক, পৰিৱেশ কৰ্মী অপূৰ্ব বল্লভ গোস্বামীক কৰ্ণাটকৰ ছেদামত আয়োজিত ভাৰতীয় সংস্কৃতি উৎসৱত ভাৰত গৌৰৱ সন্মানেৰে সন্মানিত কৰা হয়। পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত গ্ৰহণ কৰি অহা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে শ্ৰী গোস্বামীক এই সন্মান প্ৰদান কৰা হৈছে। যোৱা ৩ ফেব্ৰুৱাৰীৰ পৰা কৰ্ণাটকত অনুষ্ঠিত এই উৎসৱত ভাৰত গৌৰৱ সন্মানেৰে সন্মানিত গোস্বামীয়ে নুমলীগড়ৰ দেওপাহাৰ সংৰক্ষণকে ধৰি সিংহাসন পাহাৰ, নুমলীগড়ৰ কালিয়নী, দৈয়াং সংৰক্ষণৰ লগতে অবৈধ শিল-বালি খননৰ বিৰুদ্ধে কাম কৰি আছে। দিহিং পাটকাই সংৰক্ষণৰ লগতে ৰাষ্ট্ৰীয় উদ্যানৰূপে স্বীকৃতি প্ৰদান কৰাৰ ক্ষেত্ৰতো তেওঁ শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল।

০০০০০০

ধেমাজিত কাইলৈৰ পৰা সোণোৱাল কছাৰী সাহিত্য সভাৰ অধিৱেশন তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব। ২০১৭ চনত ডিব্ৰুগড়ত গঠন হোৱা সোণোৱাল কছাৰী সাহিত্য সভাই জনগোষ্ঠীটোৰ সমাজ, ভাষা-সংস্কৃতিকে ধৰি বিভিন্ন দিশত উত্তৰণৰ বাবে প্ৰয়াস কৰি আহিছে। অধিৱেশনৰ অংশ হিচাপে সোণোৱাল কছাৰী সকলৰ পৰম্পৰাগত গৃহ উদ্বোধন, গ্ৰন্থ উন্মোচন, প্ৰদৰ্শনী আৰু খাদ্য মেলা উদ্বোধন, সাহিত্য প্ৰতিযোগিতা, আলোচনাচক্ৰকে ধৰি কেইবাটাও কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

০০০০০০

সমাপ্ত